# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
0000000000

**Date :** 26-11-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১।	সমগ্ৰ দেশতে আজি সংবিধান দিৱস পালন কৰা হৈছে। ভাৰতৰ সংবিধান গৃহীত হোৱাৰ ৭৫ সংখ্যক বছৰ উপলক্ষে কেন্দ্ৰীয় চৰকাৰে আজি বছৰজোৰা উদযাপন আৰম্ভ কৰিছে।

২।	ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ২০৪৭ চনৰ ভিতৰত উন্নত ভাৰত গঢ়াৰ লক্ষ্যত উপনীত হোৱাৰ বাবে সংবিধানৰ আদৰ্শৰাজিক নিজৰ আচৰণত পৰিণত কৰিবলৈ আৰু নিজৰ মৌলিক কৰ্তব্য পালন কৰিবলৈ আহ্বান জনাইছে।

৩।	নিৰ্বাচন আয়োগে ৰাজ্যসভাৰ ছখন আসনৰ বাবে উপ নিৰ্বাচনৰ ঘোষণা কৰিছে।

৪।	উচ্চতম ন্যায়ালয়ে আজি ইলেকট্ৰনিক ভোটগ্ৰহণ যন্ত্ৰ চমুকৈ ই ভি এমৰ পৰিৱৰ্তে বেলট কাকত পুনৰ প্ৰৱৰ্তন কৰাৰ বাবে অনুৰোধ জনাই দাখিল কৰা এখন ৰাজহুৱা স্বাৰ্থ জড়িত আবেদন খাৰিজ কৰিছে। ***আৰু***

৫।	ভাৰতে বাংলাদেশৰ কৰ্তৃপক্ষসমূহক হিন্দু আৰু সকলো সংখ্যালঘু লোকৰ সুৰক্ষা সুনিশ্চিত কৰিবলৈ কৈছে।

ooooo

সমগ্ৰ দেশতে আজি সংবিধান দিৱস পালন কৰা হৈছে। ভাৰতৰ সংবিধান গৃহীত হোৱাৰ ৭৫ সংখ্যক বছৰ উপলক্ষে কেন্দ্ৰীয় চৰকাৰে আজি বছৰজোৰা উদযাপন আৰম্ভ কৰিছে। সংবিধান দিৱস উপলক্ষে আজি নতুন দিল্লীৰ সংবিধান সদনৰ কেন্দ্ৰীয় কক্ষত আয়োজিত এটা অনুষ্ঠানত অংশ লৈ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ২০৪৭ চনৰ ভিতৰত উন্নত ভাৰত গঢ়াৰ লক্ষ্যত উপনীত হোৱাৰ বাবে সংবিধানৰ আদৰ্শৰাজিক নিজৰ আচৰণত পৰিণত কৰিবলৈ আৰু নিজৰ মৌলিক কৰ্তব্য পালন কৰিবলৈ আহ্বান জনায়। ৰাষ্ট্ৰপতি মুৰ্মুৱে ভাৰতীয় সংবিধানক জীৱন্ত আৰু প্ৰগতিশীল নথি বুলি অভিহিত কৰে। ইয়াৰ জৰিয়তে দেশে সামাজিক ন্যায় আৰু সৰ্বাত্মক উন্নয়নৰ লক্ষ্যত উপনীত হোৱা বুলি তেওঁ প্ৰকাশ কৰে। তেওঁ কয় যে, সংবিধান অনুসৰি কাৰ্যপালিকা, ন্যায়পালিকা আৰু বিধানমণ্ডলে জনসাধাৰণৰ জীৱন আৰামদায়ক কৰি তোলাৰ বাবে একেলগে কাম কৰাটো দায়িত্ব। তেওঁ কয় যে চৰকাৰে বিগত কেইটামান বছৰত সমাজৰ সকলো শ্ৰেণীৰ বিশেষকৈ দুখীয়া জনসাধাৰণৰ কল্যাণৰ বাবে ভালেমান পদক্ষেপ লৈছে। তেওঁ কয় যে, এনে পদক্ষেপৰ বাবেই দুখীয়া জনসাধাৰণে নিজা ঘৰ লাভ কৰিছে আৰু দেশত বিশ্বমানৰ আন্তঃগাঠনি গঢ়ি তোলাৰ কাম চলি আছে। লোকসভা আৰু বিধানসভাসমূহত মহিলাৰ বাবে আসন সংৰক্ষণৰ বাবে নাৰী শক্তি বন্দনা অধিনিয়ম গৃহীত হোৱাৰ প্ৰশংসা কৰি শ্ৰীমতী মুৰ্মুৱে কয় যে এই বিধেয়কখনে নাৰী শক্তি সৱলীকৰণৰ নতুন যুগৰ সূচনা কৰিছে।

অনুষ্ঠানত অংশগ্ৰহণ কৰি উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কয় যে এই গুৰুত্বপূৰ্ণ দিনটোৱে দেশে সংবিধান গ্ৰহণৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱাৰ ঐতিহাসিক উদযাপনৰ কথাকে সূচায়। তেওঁ কয়, যে ভাৰতে উল্লেখনীয় অৰ্থনৈতিক

বিকাশ, শক্তিশালী আন্তঃগাঁথনি আৰু ডিজিটেল ব্যৱস্থাৰ ব্যাপক প্ৰসাৰৰ সৈতে অগ্ৰসৰ হৈছে আৰু এই সকলোবোৰ প্ৰচেষ্টাই আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত স্বীকৃতি লাভ কৰিছে। এই সাফল্য ভাৰতীয় গণতন্ত্ৰক ফলপ্ৰসূভাৱে আগবঢ়াই লৈ যোৱা সংবিধানৰ প্ৰমাণ বুলি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে। সংবিধান দিৱস সংবিধানৰ নিহিত আদৰ্শ আৰু নীতিসমূহৰ প্ৰতি সংকল্প প্ৰকাশ কৰাৰ উপলক্ষ্য বুলি শ্ৰী ধনখড়ে কয়।

এই উপলক্ষে লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কয় যে ভাৰতীয় সংবিধান দেশৰ জনসাধাৰণৰ বছৰ বছৰ জোৰা তপস্যা, ত্যাগ, প্ৰতিভা আৰু শক্তিৰ ফল। তেওঁ কয়, যে দেশৰ ভৌগোলিক আৰু সামাজিক বৈচিত্ৰ একতাৰ দোলেৰে বন্ধাৰ প্ৰায় তিনি বছৰজোৰা কঠোৰ পৰিশ্ৰমৰ অন্তত সংবিধানখন প্ৰস্তুত কৰা হৈছিল। সংবিধানখনে দেশত সামাজিক আৰু অৰ্থনৈতিক পৰিৱৰ্তনৰ চালিকা শক্তিৰূপে কাম কৰি আহিছে বুলি শ্ৰী বিৰলাই প্ৰকাশ কৰে। তেওঁ লগতে সাংসদসকলক নিজ নিজ এলেকাৰ জনসাধাৰণৰ মাজত সংবিধান গ্ৰহণৰ ৭৫ বছৰ উদযাপন কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত ৰাষ্ট্ৰপতিয়ে সংবিধান গ্ৰহণৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱাৰ নামত উৎসৰ্গিত এটা স্মাৰক মুদ্ৰা আৰু ডাকটিকট উন্মোচন কৰে। এই উপলক্ষে Making of the Constitution of India: A Glimpse আৰু Making of the Constitution of India and its Glorious Journey নামৰ দুখন গ্ৰন্থও উন্মোচন কৰা হয়। সংবিধানৰ সংস্কৃত আৰু মৈথেলি সংস্কৰণো মুকলি কৰা হয়। এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী, লোকসভা আৰু ৰাজ্যসভাত বিৰোধী পক্ষৰ নেতা, সাংসদ আৰু বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

সংবিধান গ্ৰহণৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আজি দেশজুৰি আৰম্ভ হোৱা উদযাপন কাৰ্যসূচী অহা বছৰৰ ২৬ নৱেম্বৰ পৰ্যন্ত চলি থাকিব। ১৯৪৯ চনৰ ২৬ নৱেম্বৰত ভাৰতৰ সংবিধান গৃহীত হৈছিল আৰু ১৯৫০ চনৰ ২৬ জানুৱাৰী তাৰিখে সংবিধান কাৰ্যকৰী কৰা হৈছিল।

০০০০০

নিৰ্বাচন আয়োগে ৰাজ্যসভাৰ ছখন আসনৰ বাবে উপ নিৰ্বাচনৰ ঘোষণা কৰিছে। ইয়াৰ ভিতৰত অন্ধ্ৰপ্ৰদেশৰ ৩ খন আৰু ওড়িশা, পশ্চিংবংগ আৰু হাৰিয়ানাৰ একোখনকৈ আসন আছে। উপ নিৰ্বাচনৰ বাবে ৩ ডিচেম্বৰত অধিসূচনা কৰা হ'ব আৰু ১০ ডিচেম্বৰ মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। ২০ ডিচেম্বৰত ভোটগ্ৰহণ আৰু ভোটগণনা অনুষ্ঠিত হ'ব। অন্ধ্ৰপ্ৰদেশত ৰাজ্যসভাৰ সাংসদ ভেংকটৰমন ৰাও মোপিদেৱী, বিদা মস্তানৰাওঁ যাদৱ আৰু ৰয়াগা কৃষ্ণৈয়া, ওড়িশাৰ সুজিত কুমাৰ, পশ্চিংবংগৰ জৱাহৰ চৰকাৰ আৰু হাৰিয়ানাৰ কৃষ্ণলাল পাৱাৰে পদত্যাগ কৰাৰ বাবে এই আসনকেইখন খালী হৈছে।

০০০০০

উচ্চতম ন্যায়ালয়ে আজি ইলেকট্ৰনিক ভোটগ্ৰহণ যন্ত্ৰ চমুকৈ ই ভি এমৰ পৰিৱৰ্তে বেলট কাকত পুনৰ প্ৰৱৰ্তন কৰাৰ বাবে অনুৰোধ জনাই দাখিল কৰা এখন ৰাজহুৱা স্বাৰ্থ জড়িত আবেদন খাৰিজ কৰিছে। বেলট ব্যৱস্থাত হ'ব পৰা খেলিমেলিৰ প্ৰতি লক্ষ্য ৰাখি ন্যায়াধীশ বিক্ৰম নাথ আৰু পি বি ভাৰালেক লৈ গঠিত এখন বিচাৰপীঠে এই আবেদন খাৰিজ কৰে। পূৰ্বতেও এই বছৰৰ মাৰ্চ মাহত নিৰ্বাচনৰ সময়ত বেলট কাকত ব্যৱস্থাৰে লোকসভাৰ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে অনুৰোধ জনাই দাখিল কৰা এখন আবেদন শুনানিৰ বাবে গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছিল।

০০০০০

ভাৰতে বাংলাদেশৰ কৰ্তৃপক্ষসমূহক হিন্দু আৰু সকলো সংখ্যালঘু লোকৰ অভিব্যক্তি আৰু শান্তিপূৰ্ণ সমাবেশৰ অধিকাৰকে ধৰি সুৰক্ষা আৰু নিৰাপত্তা সুনিশ্চিত কৰিবলৈ কৈছে। বিদেশ মন্ত্ৰালয়ে এটা বিবৃতিযোগে বাংলাদেশ সন্মিলিত সনাতন জাগৰণ জোটৰ মুখপাত্ৰ চিন্ময় কৃষ্ণ দাসৰ গ্ৰেপ্তাৰ আৰু আধ্যাত্মিক গুৰুগৰাকীৰ জামিন প্ৰদান কৰিবলৈ অস্বীকাৰ কৰাৰ ঘটনাক লৈ গভীৰ চিন্তা প্ৰকাশ কৰিছে।

ooooo

৫৫ সংখ্যক ভাৰতীয় আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱৰ ভাৰতীয় পেনোৰামা শাখাত প্ৰদৰ্শিত ছবি আৰটিকল ৩৭০ ৰ পৰিচালক আদিত্য সুহাষ জামবালে জনাইছে, যে এই মহোৎসৱত উপস্থিত হৈ তেখেত বিভিন্ন অভিজ্ঞতাৰে পুষ্ট হৈছে। গোল্ডেন পিকক শাখাত প্ৰতিযোগিতাৰ বাবে আগবঢ়োৱা আৰটিকল ৩৭০ ছবিখনে প্ৰতিযোগিতাত জয়লাভ কৰিব বুলিও পৰিচালকজনে আশা প্ৰকাশ কৰে। দিল্লী মেট্ৰ'ৰ মহাকাব্যিক গাথাক দৰ্শোৱা তথ্যচিত্ৰ পিলাৰ অব প্ৰগ্ৰেছ ছবিখন ভাৰতীয় পেনোৰামাৰ তথ্য চিত্ৰ শিতানত প্ৰদৰ্শন কৰা হৈছে। বিশেষ মত বিনিময় শাখাত আছমান চে আয়া ফৰিষ্টা ঃ মহম্মদ ৰফী, দ্যা কিং অব মেলডি এই বিষয়ক চনু নিগম, চাহিদ ৰফী, সুভাষ ঘাই আৰু অনুৰাধা পোৰৱাল উপস্থিত থাকি অংশগ্ৰহণকাৰীসকলৰ বিভিন্ন প্ৰশ্নৰ উত্তৰ দিব। লগতে মহোৎসৱত সন্ধিয়া উপস্থিত থকা লোকসকলৰ বাবে এক সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে।

ooooo

বাংলাদেশৰ আৰক্ষীয়ে আজি ইস্কন পুন্দৰিক ধামৰ চিন্ময় কৃষ্ণ দাস ব্ৰহ্মচাৰীৰ মুক্তিৰ দাবীত চট্টগ্ৰামৰ দণ্ডাধীশৰ আদালতত সমবেত হোৱা গুৰুগৰাকীৰ ভক্ত আৰু অনুগামীসকলক ছত্ৰভংগ দিয়াবলৈ আৰক্ষীয়ে আজি লাঠিচালনা আৰু শব্দবোমা নিক্ষেপ কৰে। ইয়াৰ পূৰ্বে মঙলবাৰে চট্টগ্ৰামত মহানগৰীয় আদালতে বাংলাদেশ সন্মিলিতা সনাতনী জাগৰণ মঞ্চৰ মুখপাত্ৰ চিন্ময় প্ৰভূৰ জামিন আবেদন খাৰিছ কৰি কাৰাগাৰলৈ প্ৰেৰণ কৰাৰ নিৰ্দেশ দিছিল। সোমবাৰে ঢাকা বিমানবন্দৰৰ পৰা চট্টগ্ৰাম অভিমুখী বিমানত আৰোহন কৰিবলৈ লোৱাৰ সময়ত ঢাকা আৰক্ষীয়ে তেওঁক গ্ৰেপ্তাৰ কৰিছিল। তেওঁক গ্ৰেপ্তাৰ কৰাৰ পাছত হিন্দু সম্প্ৰদায়ৰ হাজাৰ হাজাৰ পুৰুষ মহিলাই চট্টগ্ৰামৰ চেৰাগি পাহাৰ এলেকাত প্ৰতিবাদী সমদল উলিয়াইছিল আৰু কেইবাখনো চহৰত হিন্দু সম্প্ৰদায়ৰ লোকে চিন্ময় কৃষ্ণ দাস ব্ৰহ্মচাৰীৰ গ্ৰেপ্তাৰৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে আৰু তেওঁৰ শীঘ্ৰে মুকলি কৰি দিবলৈ দাবী জনায়।

ooooo

ঃঃ সমাপ্ত ঃঃ